অসম বিধান সভা,
তৰাবিহীন প্ৰশ্ন নং :- ৭১৬
উত্তৰ দানৰ তাৰিখ :- ০৮/০৩/২০১৭.
বিষয় :- কৃষি কেলেংকাৰীৰ তদন্ত
বিধায়কৰ নাম :- শ্ৰী ভবেশ কলিতা,

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্য চৰকাৰৰ কৃষি বিভাগে তৰাচিহ্নিত প্ৰশ্ন নং ১২১ (খ) দিনাংক ১৬/৩/২০১৫ তাৰিখে তিনি হাজাৰ কোটি টকীয়া কৃষি কেলেংকাৰী বিষয়টো ইতিমধ্যে CID ৰ তদন্ত চলি আছে আৰু তৰাচিহ্নিত প্ৰশ্ন নং ৬১ (ক) দিনাংক ১৪/৮/২০১৫ তাৰিখে কৃষি কেলেংকাৰীৰ বিষয়টো CID ৰ তদন্ত এতিয়াও সম্পূৰ্ণ হোৱা নাই বুলি বিধান সভাত উত্তৰ প্ৰদান কৰাটো সঁচানে ?

(খ) যদি সঁচা, তেনেহলে শেহতীয়াকৈ তৰাবিহীন প্ৰশ্ন নং ৫৭৬ (ক) দিনাংক ১০/৮/২০১৬ তাৰিখে ৰাজ্যৰ কৃষি বিভাগৰ তিনিহাজাৰ কোটিটকীয়া কেলেংকাৰীৰ CID ৰ তদন্তৰ বিষয়ে কৃষি বিভাগ জ্ঞাত নহয় বুলি বিধান সভাক বিপথে পৰিচালিত কৰাৰ উদ্দেশ্য কি ?

(গ) সদনক বিপথে পৰিচালনা কৰা কাৰ্য্যৰ লগত কোন জড়িত ?

(ঘ) বিভাগ CID তদন্তৰ বিষয়ে জ্ঞাত হয়নে নহয় ?

(ঙ) যদি জ্ঞাত, তদন্তৰ বিষয়ে সবিশেষ জনাব,

:: উত্তৰ :-

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা মহোদয়ে উত্তৰ দিব —

(ক) ১৬/৩/২০১৫ তাৰিখৰ তৰাচিহ্নিত প্ৰশ্ন নং ১২১ (খ) ৰ বিপৰীতে "অসমৰ দুখীয়া কৃষকৰ উন্নয়নৰ বাবে অহা বৃহৎ পৰিমানৰ ধন এটা দুষ্ট চক্ৰৰ হাতত হেৰাই যোৱাটো বিচাৰে নেকি" ৰ প্ৰশ্নৰ উত্তৰত কোনো দুষ্ট চক্ৰৰ হাতত কৃষি উন্নয়নৰ ধন অপচয় হোৱাটো চৰকাৰে নিবিচাৰে- বুলি বিভাগে উত্তৰ দিছিল,

পুনৰ ১৪/৮/২০১৫ তাৰিখে তৰাচিহ্নিত প্ৰশ্ন নং ৬১ (ক) ৰ প্ৰশ্নৰ বিপৰীতে বিভাগে উত্তৰ দিছিল যে "CID ৰ তদন্ত এতিয়াও সম্পূৰ্ণ হোৱা নাই",

(খ) যিহেতু যোৱা ১৬/৩/২০১৫ তাৰিখৰ তৰাচিহ্নিত প্ৰশ্ন নং ১২১ (ক) প্ৰশ্নৰ উত্তৰত বিভাগে ৰাজ্যখনৰ বিভিন্ন সংবাদ মাধ্যম আৰু বৈদ্যুতিক মাধ্যমৰ যোগেদি কৃষি বিভাগক জড়িত কৰি কেলেংকাৰীৰ বাতৰি প্ৰকাশ কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হোৱা বুলি অৱগত কৰা হৈছিল, সেয়েহে পুনৰ ১৪/৮/২০১৫ তাৰিখে তৰাচিহ্নিত প্ৰশ্ন নং ৬১ (ক) প্ৰশ্নৰ উত্তৰত CID ৰ তদন্ত এতিয়াও সম্পূৰ্ণ হোৱা নাই বুলি অৱগত কৰা হৈছিল। কিন্তু যোৱা ইং ২৪/৫/২০১৬ তাৰিখে Spl. Supdt. of Police, CID Assam, Ulubari, Guwahati ৰ পৰা পোৱা পত্ৰ অনুযায়ী ৭০০ কোটি টকাৰ কেলেংকাৰী সংক্ৰান্ত Case Register আৰু Investigation হৈ থকা বুলি কৃষি বিভাগ অৱগত, সেয়েহে যোৱা ১০/৮/২০১৬ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ৫৭৬(ক) ৰ উত্তৰত ৩০০০ কোটি টকাৰ কেলেংকাৰীৰ CID ৰ তদন্ত সম্পৰ্কত কৃষি বিভাগ জ্ঞাত নহয় বুলি জনোৱা হৈছিল, যিহেতু দুয়োটা পৃথক কেলেংকাৰীৰ অভিযোগ, সেয়েহে কৃষি বিভাগত মজুত থকা তথ্য অনুসৰি উত্তৰ প্ৰদান কৰা হৈছিল,

(গ) প্ৰশ্ন নুঠে।

(ঘ) এই সংক্ৰান্ত বিভাগে Political Vigilance বিভাগৰ দ্বাৰা প্ৰতিবেদন বিচাৰিছে।

(ঙ) Political Vigilance বিভাগৰ দ্বাৰা এই বিষয়ে প্ৰতিবেদন পোৱাৰ পিছত আদেশ অৱগত কৰিব পৰা যাব।

— × —